- কলা

# স্থাপত্য আৰু ভাস্কৰ্য

যুগল দাস

প্ৰাচীন কামৰূপৰ স্থাপত্য, ভাস্কৰ্য তথা প্ৰাচীন ভাৰতীয় স্থাপত্য, ভাস্কৰ্য অতি ঘনিষ্ঠভাৱে সংশ্লিষ্ট। ঠোক ধৰা কল আৰু তাৰ ঢোকাডালৰ দৰে স্থাপত্যই ভাস্কৰ্যক গঢ়ি উঠিবলৈ দিয়ে আৰু ভাস্কৰ্য সংযোগ কৰিবলৈকে যেন স্থাপত্য ৰচিত হয়। এক কথাত প্ৰাচীন স্থাপত্য আৰু ভাস্কৰ্যৰ অবিচ্ছেদ্য এটা সম্বন্ধ আছে। তথাপিও ক'ব লাগিব যে স্থাপত্যৰ পৰ্বতীতহে ভাস্কৰ্যৰ জন্ম।

স্থাপত্য এটা জাতিৰ এক বিৰাট সমূহীয়া শিল্প প্ৰচেষ্টা। এটা জাতিৰ ৰুচি, হৃদয়ৰ গভীৰতা অনুধাৱন কৰিবলৈ হ'লে, আমি সেই জাতিৰ স্থাপত্য কলাত প্ৰথমতে গুৰুত্ব আৰোপ কৰি আলোচনা আৰম্ভ কৰিব লাগিব। অকল ভাৰতীয় কলাৰ ক্ষেত্ৰতে নহয়, গ্ৰীক শিল্প, বৌদ্ধ শিল্প, — সকলো উন্নত জাতিৰ শিল্পত স্থাপত্যৰ ওপৰতে ভাস্কৰ্য বা চিত্ৰ-কলা সম্পাদন হোৱা দেখা যায়। আৰু এটা কথা,— এটা জাতিৰ অপসৰণীয় শিল্প-সম্ভাৰসমূহৰ, অনেক সম্পদ আজি জন্মস্থানতে থিত লাগি থকা নাই। অনেক সম্পদ বিজিগীষু দস্যু, লাভখোৰ বেপাৰী বা সনাহী তথাকথিত শিক্ষিত পৃষ্ঠপোষকে নানা স্বাৰ্থৰ বাবে তাক স্থানান্তৰ আৰু হস্তান্তৰ কৰিছে। কিন্তু অপসৰণ কৰিব পৰা নাই জাতিৰ স্থাপত্য সম্পদ। সেয়ে আজি তাজমহল, অজন্তাৰ গুহা আৰু সমগ্ৰ দেশৰ গজগজীয়া অসংখ্য মঠ-মন্দিৰে আকাশত উন্নত শিৰে ভাৰতীয় শিল্পীৰ বিজয় নিচান উৰুৱাই আছে। প্ৰাচীন কামৰূপৰ অনেক মঠ-মন্দিৰ প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈ পৃথিৱীৰ গৰ্ভত লুক্কায়িত হৈ আছে সঁচা, তথাপি যিকেইটা মঠ-মন্দিৰ সংস্কৰণ লাভ কৰিও আজি তিষ্ঠি আছে, সেইকেইটাৰ স্থাপত্য আৰু ভাস্কৰ্যই আজি প্ৰাচীন কামৰূপৰ ব্ৰহ্মপুত্ৰ সভ্যতাৰ সাক্ষী বহন কৰি আহিছে।

অসমৰ স্থাপত্য বা ভাস্কৰ্যৰ ধাৰাবাহিক কোনো ইতিহাস ৰচনা কৰা হোৱা নাই। বিশেষকৈ, এতিয়ালৈকে আৱিষ্কৃত তেজপুৰৰ ওচৰৰ দ-পৰ্বতীয়াৰ গুপ্ত যুগৰ শিলত কটা দুৱাৰখনৰ চৌকাঠৰ বাহিৰে, প্ৰাক্-গুপ্ত যুগৰ কোনো স্থাপত্য বা ভাস্কৰ্যৰ নিদৰ্শন অসমত আজিলৈকে আৱিষ্কৃত হোৱা নাই। সেইবুলি প্ৰাক্গুপ্তযুগত অসমত কোনো স্থাপত্য-ভাস্কৰ্য-কলাৰ চৰ্চা হোৱা নাছিল বুলি ডাঠি ক'বলৈকো যুক্তি বিচাৰি পোৱা নেযায়। তাৰ মূল কাৰণ হ'ল অসমত প্ৰকৃতিৰ ধ্বংসলীলা অতীত কালৰপৰাই অবিৰামভাৱে চলি আহিছে। অসমত আজিকোপতি বিজ্ঞানসন্মতভাৱে খননকাৰ্য পৰিচালনা কৰা হোৱা নাই। সেয়ে দেখ-দেখকৈ ভূগৰ্ভস্থিত স্থাপত্য-ভাস্কৰ্যৰ অমূল্য ৰত্নৰাজি উদ্ধাৰ কৰিব পৰা হোৱা নাই। 'আৰ্কিয়লজিকেল্ ছাৰ্ভে অব্ ইণ্ডিয়া'ৰ পূৰ্ব মণ্ডলৰ বিশিষ্ট বিষয়া আৰ. ডি. বেনাৰ্জীয়ে বিভাগীয় ১৯২৪-২৫ চনৰ বছৰেকীয়া প্ৰতিবেদনত মন্তব্য কৰি কৈছে যে ভাৰতৰ ভিতৰত কেৱল অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ইতিহাস এক প্ৰকাৰ

Scanned with CamScanner

অপ্রকাশিত আৰু অজানিত হৈ আছে। অসমৰ শাসকসকলৰ ধাৰাবাহিক ইতিহাস সপ্তম শতিকাৰ মাজভাগৰপৰা দ্বাদশ শতিকাৰ শেষলৈকে এতিয়াও খেলিমেলি অৱস্থাতে আছে। বিশেষকৈ, এই যুগৰ স্থাপত্য আৰু ৰূপায়িত চাক্ষুস কলাৰ সম্ভেদ সম্পূৰ্ণ অন্ধকাৰৰ গৰ্ভত। অৱশ্যে মাজে সময়ে অ'ত ত'ত হঠাৎ আৱিষ্কৃত ভাস্কৰ্যৰ নিদৰ্শনে অসমৰ মধ্যযুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ উত্তৰ ভাৰতৰ সাধাৰণ স্থাপত্য আৰু ভাস্কৰ্যৰ লগত সম্বন্ধ আছিল বুলি সাব্যস্ত কৰিছে। অসমত যে খনত কাৰ্য উদ্দেশ্যসহকাৰে আৰু বৈজ্ঞানিক পদ্ধতিত বহুলভাৱে হোৱা নাই, এই কথা জ্বলন্ত সত্য। সৌ সিদিনা উদ্ধাৰ পোৱা গুৱাহাটীৰ আমবাৰীৰ আৰু অৰুণাচলৰ মালিনী থানৰ সম্পদৰাশিয়ে এই সত্য সু-প্রতিষ্ঠিত কৰিছে। দ্বিত্বীয়তে, অসমৰ স্থাপত্য আৰু ভাস্কৰ্য তথা অন্যান্য কলা, ভাৰতীয় শিল্প-কলাৰ একেটা সুঁতিতে প্ৰবাহিত সম্পদ, কাৰণ প্ৰাচীন কামৰূপ প্ৰাচীন ভাৰতৰ ভৌগোলিক আৰু সাংস্কৃতিক মানচিত্ৰৰ অন্তৰ্ভুক্ত দেশ। ভাৰতীয় সংস্কৃতিৰ ঘাই সুঁতিটো অমৰ মাজেৰে কোন কাহানিবা কালৰপৰা প্ৰবাহিত হৈ আহিছে। অসমত অষ্ট্ৰিক, দ্ৰাবিড়, মঙ্গোলীয় আৰু আৰ্য সংস্কৃতিৰ অৱদান যি পৰিমাণেই নেথাকক,— থুলমূলভাৱে অসমৰ প্ৰাচীন সংস্কৃতি হৈছে বৌদ্ধ-হিন্দু সংস্কৃতি। কেৱল স্থানীয় বাতাবৰণৰ কাৰণে ই যৎসামান্য নিজস্ব সুকীয়া বৈশিষ্ট্য হয়তো গ্ৰহণ কৰিছে আৰু এই বৈশিষ্ট্যৰ বাবে প্ৰাচীন কামৰূপৰ সংস্কৃতিক ব্ৰহ্মপুত্ৰ সংস্কৃতি বুলি নামকৰণ কৰাটো আমাৰ বোধেৰে একো অযুক্তিকৰ নহ'ব।

অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ পম খেদি গ'লে পোন প্ৰথমতে পাম পৰ্বত আৰু পৰ্বতৰ নামনিত সিচঁৰতি হৈ থকা কেতবোৰ দেওশিল। এই দেওশিলবোৰ কিছুমান থিয়ৈ মাটিত পোটা আৰু কিছুমান চেপেতা শিল পীৰাখনৰ দৰে পাৰি থোৱা। এই শিলবোৰত দৰাচলতে স্থাপত্য বা ভাস্কৰ্যৰ তেনে কোনো লক্ষণ নাই। তথাপি স্মৃতি ৰক্ষাৰ ফালৰপৰা শিলৰে যুগমীয়াকৈ থোৱা ই প্ৰথম পদক্ষেপ। প্ৰত্নতাত্ত্বিক হাটন আৰু মিল চাহাবৰ মতে থিয় শিলবোৰ পুৰুষৰ প্ৰতীক আৰু পথালি চেপেতা শিলবোৰ স্ত্ৰীৰ প্ৰতীক। আৰ্য সংস্কৃতিৰ স্থাপত্য প্ৰথম নিদৰ্শন যজ্ঞকুণ্ড প্ৰাচীন কামৰূপৰ কোনো ঠাইত আজিলৈকে আৱিষ্কৃত হোৱা নাই। ভাৰতীয় স্থাপত্যত শিল কাটি গুহা নিৰ্মাণ কৰি আৱাস স্থান কৰা উদাহৰণ হ'ল ইলোৰা আৰু অজন্তা। কামৰূপত উন্নত স্থাপত্য-ভাস্কৰ্যৰে সমৃদ্ধ তেনে ধৰণৰ গুহা নাই। গোৱালপাৰাৰ যোগীঘোপা পাহাৰৰ গুহাবোৰ সৰু সৰু। এই গুহাবোৰ তান্ত্ৰিক বৌদ্ধ যুগৰ বুলি মতামত প্ৰকাশ কৰিছে। ইয়াৰ নিৰ্মাণ কাল নৱম-দশম শতিকা হ'ব পাৰে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। এই গুহাবোৰত ভাস্কৰ্যৰ কোনো সম্পদ সংশ্লিষ্ট হৈ থকা নাই। পৌৰাণিক কাহিনীমতে কামৰূপৰ নৰকাসুৰে পৰ্বতবেষ্টিত এক অভেদ্য দুৰ্গসদৃশ এক প্ৰাসাদত বাস কৰিছিল। হিউৱেন ছাঙে কামৰূপাধিপতি ভাস্কৰবৰ্মাৰ ৰাজসভাত নৃত্যগীত নিবেদন কৰিব পৰা ব্যৱস্থা আছিল বুলি উল্লেখ কৰি গৈছে। প্ৰাচীন কামৰূপৰ প্ৰাগ্‌জ্যোতিষপুৰ, শোণিতপুৰ আৰু শ্ৰীদুৰ্জয় (ৰত্নপালৰ ৰাজধানী) আদি নগৰত অসংখ্য অট্টালিকা আৰু প্ৰাসাদ আছিল। শ্ৰীদুৰ্জয় নগৰত হেনো অতবোৰ আকাশলংঘা অট্টালিকা আছিল যে তলৰপৰা বেলিটোকো দৃষ্টিগোচৰ কৰা সহজ নাছিল। ৰত্নপালৰ নাতি ইন্দ্ৰপাল ৰজাৰ ৰাজসভাৰ মজিয়াখন মৰ্মৰখচিত বিচিত্ৰ কাৰুকাৰ্যপূৰ্ণ মজিয়া আছিল বুলি জনা যায়। তৃতীয়া বলবৰ্মাৰ ফলিৰ মতে বনমাল

বৰ্মণ ৰজাই অনেক খোটালীৰে অলংকৃত এক বিৰাট প্ৰাসাদ নিৰ্মাণ কৰাইছিল। তেজপুৰৰ বৰ্তমান কাহ্বৰীৰ নিৰ্মাণ কৰোঁতে আৱিস্কৃত হোৱা ধ্বংসস্তূপৰ স্থাপত্য ভাস্কৰ্যৰ অনেক আহিলা-পাতি বনমাল বৰ্মণে নিৰ্মাণ কৰা উপৰোক্ত ৰাজপ্ৰাসাদৰ ধ্বংসাৱশেষ বুলি অনুমান কৰা হৈছে।

প্ৰাগ আহোম যুগৰ বৌদ্ধ স্থাপত্যৰ কোনো নিদৰ্শন বৰ্তমানে তেনেকৈ পাবলৈ নাই। কিন্তু একালত ইয়াত বৌদ্ধ চৈত্য আৰু বৌদ্ধ মন্দিৰ আছিল বুলি কেতবোৰ উদ্ধৃতি পোৱা যায়। এল ডব্লিউ চেক্সপিয়ৰ চাহাবৰ মতে অসমত বৌদ্ধ স্থাপত্যৰ নিদৰ্শন একালত অনেক আছিল। মেজৰ হেনৰী চাহাবৰ মতে শদিয়াৰ অনেক মন্দিৰৰ ধ্বংসাৱশেষ বিনাদ্বিধাই বৌদ্ধ স্থাপত্যৰ নিদৰ্শন বুলি নিৰ্ণয় কৰিব পাৰি। জনশ্ৰুতি মতে হাজোৰ মন্দিৰটো একালত এক বৃহৎ চৈত্য আছিল। এই চৈত্য বুদ্ধদেৱৰ চিতাভস্মৰ ওপৰত নিৰ্মিত হৈছিল বুলি ভূটীয়াসকলে আজিকোপাতি বিশ্বাস কৰে। হাজোৰ হয়গ্ৰীৱ মন্দিৰটোৰ ভেটিত বাজৰফালে মু-কৈ মন্দিৰৰ কেউকাষে অসংখ্য হাতীৰ মূৰ্তি আছে। সিংহলৰ অনুৰুদ্ধপুৰত এনেধৰণৰ হাতীৰ ওপৰত বৌদ্ধ স্তূপ পোৱা যায়। হাজোৰ মন্দিৰৰ মূৰ্তিবোৰ পাকৈত হাতৰ শিল্পকৰ্ম। কামৰূপৰ কামাখ্যা ধাম একালত বৌদ্ধ তান্ত্ৰিক বজ্ৰযান সম্প্ৰদায়ৰ প্ৰধান কেন্দ্ৰ আছিল বুলি কোনো কোনো পণ্ডিতে অভিমত প্ৰকাশ কৰে। তিব্বতী লামা তাৰনাথে কামৰূপত এটা বৃহৎ চৈত্য আছিল বুলি উল্লেখ কৰি গৈছে। তাৰানাথে উল্লেখ কৰা চৈত্যই কামাখ্যা মন্দিৰ হয় নে নহয়, এই বিষয়ে কেৱে কোনো খাটাং সমিধান দিয়া নাই। কামাখ্যাৰ উল্লেখযোগ্য মূৰ্তিবোৰ হ'ল ঃ চামুণ্ডাৰ মূৰ্তি, বেণুগোপালৰ মূৰ্তি, মাতৃমূৰ্তি ইত্যাদি। চামুণ্ডাৰ মূৰ্তি চতুৰ্ভূজা ৰূপত ভয়ঙ্কৰী দাঁত দীঘল লেলিহান জিহ্বা, ক্ষীণ-কায়া, ক্ষীণ-জঠৰা, কোঠৰাগত চক্ষু আৰু বিক্ষিপ্ত কেশী। বেণুগোপালৰ মূৰ্তিটোৰ দিঙিত মণিমালা, পিন্ধনত চুটি ভুনি, কঁকালৰ পৰা সোঁমাজেৰে আৰু দুয়োকাষৰ পৰা পতি ওলোমোৱা। মূৰৰ শিৰস্ত্ৰাণ অগ্নিশিখা সদৃশ জোঙা টুপি। কামাখ্যাৰ মাতৃমূৰ্তি এক মৰম লগা সৃষ্টি। মাতৃৰ হিয়াভৰা মৰম আৰু সন্তানৰ সুকোমল দেহৰ ৰূপ মূৰ্তিটোত স্পষ্টভাৱে প্ৰকাশ পাইছে। কামাখ্যাৰ মূৰ্তিবিলাকৰ নিৰ্মাণকাল ৭ম শতিকাৰ বুলি আৰু বৰ্তমানৰ মন্দিৰটো ১৭শ শতিকাৰ বুলি নিৰ্ণীত হৈছে। বৰ্তমানৰ মন্দিৰটো কোঁচ ৰজা নৰনাৰায়ণে সজা।

প্ৰত্নতাত্ত্বিকসকলৰ বিচাৰ মতে তেজপুৰৰপৰা তিনি মাইল নিলগৰ দ-পৰ্বতীয়াৰ শিৱমন্দিৰটোৱেই অসমৰ প্ৰাচীনতম আৰু স্থাপত্যৰ শ্ৰেষ্ঠ মন্দিৰ আছিল। ভাস্কৰ বৰ্মাৰ কোনোবা পূৰ্বপুৰুষে এই মন্দিৰ আনুমানিক পঞ্চম বা ষষ্ঠ শতাব্দীতে নিৰ্মাণ কৰিছিল বুলি পণ্ডিত কণকলাল বৰুৱাদেৱে মতামত প্ৰকাশ কৰিছে। মন্দিৰৰ দুৱাৰৰ শিলৰ চৌকাঠখন গুপ্ত ভাস্কৰ্যৰ শ্ৰেষ্ঠ নিদৰ্শন। চৌকাঠৰ শিলত কটা কাৰুকাৰ্য অতি বিচিত্ৰ আৰু মনোমোহা। গুপ্ত ভাস্কৰ্যৰ লগত ইয়াৰ মিল আছে। ইয়াৰ নিৰ্মাণ কাল পণ্ডিতসকলে পঞ্চম-ষষ্ঠ শতাব্দী বুলি নিৰ্ণয় কৰিছে। চৌকাঠৰ দুয়োকাষৰ শিল দুছটাৰ ভূমি ভাগত একাষে গঙ্গা আৰু আনকাষে যমুনা, হাতত পুষ্পহাৰ লৈ অতি নাৰীসুলভ ভঙ্গীত থিয় হৈ আছে। এই দুই মূৰ্তিয়ে চকুত পৰা মাত্ৰকে দৰ্শকৰ মন আকৰ্ষণ কৰে। ইয়াৰ বাহিৰেও এই শিল দুছটাত আৰু ওপৰৰ ছটিত লতা ফুল কটা আৰু কেবাটাও সৰু সৰু মূৰ্তি সন্নিহিত কৰা হৈছে।

দৰং জিলাত তেজপুৰৰ বামুণী পাহাৰ আৰু বৰ্তমান কাছাৰীৰ নিৰ্মাণৰ সময়ত খনন কাৰ্যত উদ্ধাৰ হোৱা স্থাপত্য-ভাস্কৰ্যৰ মানদণ্ড অতি উচ্চ স্তৰৰ। অসমৰ উচ্চতম মন্দিৰটো তেজপুৰৰ কাছাৰীৰ বাকৰিতে অৱস্থিত আছিল বুলি উপৰোক্ত ভগ্নাৱশেষৰ পৰা পণ্ডিতসকলে অনুমান কৰিছে। দুৱাৰৰ ওপৰৰ দহ ফুট তিনি ইঞ্চি দীঘল আৰু এফুট আঠ ইঞ্চি বহল ছতি এডালৰপৰা আৰু তলৰ দুৱাৰ দলি ডালৰপৰা দুৱাৰখন অতি কমেও পোন্ধৰ ফুট ওখ আৰু সেইমতে মাটিৰপৰা শিখৰলৈকে মন্দিৰৰ উচ্চতা কমেও এশ ফুট আছিল বুলি অনুমান কৰা হৈছে। এই মন্দিৰটো সূৰ্য দেৱতাৰ মন্দিৰ আছিল বুলি ঠিৰাং কৰা হৈছে। ইয়াৰ নিৰ্মাণ কাল নৱম শতাব্দী বুলি অনুমান কৰা হৈছে। কাছাৰীৰ বাকৰিৰ ভগ্নস্তূপত অলেখ উল্লেখযোগ্য ভাস্কৰ্যৰ নিদৰ্শনো আৱিষ্কৃত হৈছে। এই সম্পদবোৰ বৰ্তমানে ক'ল পাৰ্ক আৰু মিছনাৰিৰ চৌহদত সংৰক্ষিত হৈছে। এইথূপ ভাস্কৰ্যৰ ভিতৰতে স্তম্ভ সংযোগ কৰা, যোল শিৰীয়া এডাল শিলৰ প্ৰকাণ্ড শলা পোৱা গৈছে। শলাৰ মূৰত কীৰ্তিমুখ খোদাই কৰা আছে। ইয়াৰ কাৰুকাৰ্যৰপৰা এইথূপৰ সম্পদবোৰ গুপ্তযুগৰ স্থাপত্য ভাস্কৰ্য বুলি নিৰ্ণয় কৰা হৈছে। ইয়াত আৱিষ্কৃত অগণন ভগ্নস্তূপে ইয়াকে প্ৰমাণ কৰিছে যে প্ৰাচীন কামৰূপী ভাস্কৰসকলে ভাৰতৰ মধ্যযুগৰ ভাস্কৰসকলৰ দৰে শাস্ত্ৰীয় সকলো প্ৰতীক আৰু 'মোটিফ' ব্যৱহাৰ কৰিছিল। ইয়াৰ খোদাই কৰা কেতবোৰ ফুলজালিৰ লগত উৰিষ্যাৰ ভাস্কৰ্যৰো মিল থকা দেখা যায়।

তেজপুৰৰ বামুণী পাহাৰৰ ভগ্নাৱশেষবোৰো মন কৰিবলগীয়া। ভগ্নাৱশেষবোৰৰপৰা পণ্ডিতসকলে অনুমান কৰিছে যে একেখন চোতালতে সাতোটা মন্দিৰ আছিল। তাত উদ্ধাৰ হোৱা কেতবোৰ আহিলা-পাতিৰ পৰা তাৰ অন্ততঃ এটা মন্দিৰ অতিকায় আছিল বুলি অনুমান কৰা হৈছে। এইথূপ স্থাপত্য-ভাস্কৰ্য অষ্টম-নৱম শতিকাৰ সম্পদ বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে।

দৰং জিলাত তেজপুৰৰ বাহিৰেও বিশ্বনাথ, বিহালী, গমিৰি আদি অনেক ঠাইত প্ৰাচীন স্থাপত্য আৰু ভাস্কৰ্যৰ অনেক নিদৰ্শন পোৱা গৈছে। চাৰিদুৱাৰৰ স্থাপত্য-ভাস্কৰ্যকো উলাই কৰিব নোৱাৰি। উত্তৰপাৰৰ এই গোটেই খণ্ডত অলেখ শিৱ আৰু দেৱীৰ মন্দিৰ আছিল বুলি অনুমান কৰা হৈছে। এইবোৰকে দেখি ইংৰাজ বিষয়া বেস্টমাকটে মন্তব্য কৰি গৈছে বোলে এই এলেকাত একালত কোনোবা চক্ৰৱৰ্তী ৰজাৰ ৰাজধানী আছিল বা ই হিন্দু ধৰ্মৰ এক প্ৰধান কেন্দ্ৰ আছিল আৰু এই এলেকাৰ পয়োভৰ আৰু সমৃদ্ধিও আছিল লেখত ল'বলগীয়া। গহপুৰৰ সূৰ্যৰ মূৰ্তি আৰু চাৰিদুৱাৰৰ বেণুগোপালৰ মূৰ্তি উল্লেখযোগ্য অৱদান।

গুৱাহাটীৰ ভাস্কৰ্য-স্থাপত্যৰ থূপ গুৱাহাটী নগৰ আৰু তাৰ আশে-পাশে সিঁচৰতি হৈ আছে। সংখ্যাতো এইবোৰ সম্পদ লেখত ল'বলগীয়া। শুক্লেশ্বৰ পাহাৰত জনাৰ্দন আৰু শিৱৰ মন্দিৰ পুৰণি প্ৰাক-আহোম যুগৰ নতুন সংস্কাৰ। জনাৰ্দন মন্দিৰৰ উত্তৰ ভাগে ব্ৰহ্মপুত্ৰৰ পাৰত পদ্মাসনত প্ৰকাণ্ড বুদ্ধজনাৰ্দনৰ মূৰ্তি — ওচৰতে আৰু একেটা শিলত কটা সূৰ্যৰ মূৰ্তি, গণেশৰ মূৰ্তি, দুৰ্গাৰ মূৰ্তি আৰু মুনিৰ মূৰ্তি। অলপতে শিৱৰ মন্দিৰ সংস্কাৰ কৰিবলৈ যাওঁতে প্ৰায় এঘাৰ ফুট ব্যাসৰ শিলত কটা বৃত্তাকাৰ যোনী আৱিষ্কৃত হৈছে। ইয়াৰ লিংগটো নিশ্চয় বৃহৎ আকাৰৰ হ'ব। এই লিংগ এতিয়াও আৱিষ্কৃত হোৱা নাই। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে উত্তৰ গুৱাহাটীত অৱস্থিত বিষ্ণু

Scanned with CamScanner

মন্দিৰত বিষ্ণুৰ অনন্ত শয়নৰ ক'লা শিলত কটা প্ৰসিদ্ধ মূৰ্তি। অসমত অনন্ত শয়নৰ দ্বিতীয় এটা মূৰ্তি আজিলৈকে আৱিষ্কৃত হোৱা নাই। গুৱাহাটীৰ পূবে পুৰণি পানীকালত ব্ৰহ্মপুত্ৰৰ পাৰত বৃষভৰ ওপৰত কটা দশভূজ শিৱৰ মূৰ্তি আৰু অষ্টাদশভূজা দেৱীৰ মূৰ্তি। ইয়াৰ বাহিৰেও উমানন্দ, উৰ্বশী আৰু পাণ্ডু আদি ঠাইত অনেক দেৱদেৱীৰ মূৰ্তি পোৱা হৈছে। গুৱাহাটী থুপৰ ভাস্কৰ্যৰাশিৰ নিৰ্মাণকাল নৱম-দশম শতাব্দী বুলি অনুমান কৰা হৈছে। কামাখ্যাৰ মন্দিৰ আৰু মূৰ্তিৰ কথা উল্লেখ কৰি অহা হৈছে। এই আপাহতে উল্লেখ কৰা উচিত হ'ব যে কামাখ্যা মন্দিৰৰ উত্তৰপাৰে ব্ৰহ্মপুত্ৰলৈ নামি যোৱা শিলৰ যিটো আহল-বহল বাট আছে, তাৰ শিলবোৰ ডাঙৰ ডাঙৰ, চাৰিচুকীয়া আৰু দুই-একত খোদাই কৰা চিন পোৱা গৈছে। এই শিলবোৰ কামাখ্যাৰ প্ৰাচীন মন্দিৰৰ শিল বুলি অনুমান কৰা হৈছে আৰু ভাস্কৰ্যৰ কাৰুকাৰ্যৰপৰা সেই মন্দিৰ সপ্তম-অষ্টম শতাব্দীত নিৰ্মিত হৈছিল বুলি পণ্ডিতসকলে মতামত প্ৰকাশ কৰিছে। অনুমান মতে কামাখ্যাৰ এই প্ৰাচীন মন্দিৰটো বিশাল আকাৰৰ আছিল।

নগাঁও জিলাত বিশেষকৈ দক্ষিণ-পূব অংশৰ বহু ঠাইত স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন পোৱা গৈছে। আৰ্কিয়লজিকেল ছাৰ্ভে অব্ ইণ্ডিয়াৰ ১৯৩৬-৩৭ চনৰ প্ৰতিবেদনত তাৰ যুটীয়া প্ৰধান টি এন ৰামচন্দ্ৰনে বিস্তাৰিতভাৱে এইথূপ সম্পদৰ বিষয়ে আলোচনা কৰিছে। উল্লেখ থাকে যে একালত নগাঁওত প্ৰসিদ্ধ ডবকা ৰাজ্য কলা-সংস্কৃতিত প্ৰসিদ্ধ আছিল। আকাশীগঙ্গা, মিকিৰ আটি, মহাদেউছাল, ফুলনী, যোগীজান, কাৰৈমাৰী, দীঘলপানী, বৰগঙ্গা, গাছতল, বসুন্ধৰী আদি ঠাইৰ স্থাপত্য-ভাস্কৰ্যৰ ভগ্নাৱশেষে প্ৰচীন ডবকা ৰাজ্যৰ বিজয় গৌৰৱৰে ইঙ্গিত দিছে। এইথূপৰ শিলত কটা নানা স্তম্ভ, পত্ৰাৱলী, পুষ্পাৱলীৰ বাহিৰেও শিৱ আৰু বিষ্ণুৰ মূৰ্তি আপেক্ষিকভাৱে সৰহ। এই এলেকাৰ মূৰ্তিসমূহত জনজাতীয় ছাপ অধিক পৰিমাণে পৰিলক্ষিত হয়। ডবকা থূপৰ ভাস্কৰ্যৰ ভিতৰত উমালিঙ্গৰ মূৰ্তি এক বিশিষ্ট সম্পদ। এই মূৰ্তিটি বৰ্তমানে ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈছে। মিকিৰ আটিত ক'লা শিলত কটা বাসুদেৱৰ মূৰ্তি খণ্ড এটা আৱিষ্কৃত হৈছে। এই খণ্ডটো এক বিৰাটাকায় মূৰ্তিৰ অংশবিশেষ। এইথূপ স্থাপত্য-ভাস্কৰ্যৰ নিৰ্মাণকাল ষষ্ঠ খৃষ্টাব্দৰ পৰা দ্বাদশ খৃষ্টাব্দ বুলি অনুমান কৰা হৈছে। বৰ্তমানে নগাঁও জিলাত শিলঘাটৰ কামাখ্যা মন্দিৰৰ বাহিৰে কোনো মন্দিৰ তিস্থি থকা নাই। বনমাল বৰ্মনৰ ফলিৰ মতে শোণিতপুৰত সপ্তম শতাব্দীৰ পৰা দশম শতাব্দীলৈ ৰাজত্ব কৰা শালস্তম্ভ ফৈদৰ কোনোবা এজন ৰজাই শিলঘাটৰ প্ৰথম কামাখ্যা মন্দিৰটো নিৰ্মাণ কৰোৱাইছিল।

শিৱসাগৰ জিলাৰ দেওপানী আৰু নুমলীগড়ত প্ৰাক আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ নিদৰ্শন পৰিলক্ষিত হৈছে। এই দুয়ো ঠাইতে অনেক দেৱমন্দিৰ আৰু প্ৰাসাদ আছিল বুলি অনুমান কৰা হৈছে। নুমলীগড়ৰ শিৱদ'ল নৱম শতাব্দীত নিৰ্মিত হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে। দেওপানীৰ দেৱীদ'লো একে সময়তে নিৰ্মাণ কৰা। শিৱসাগৰ জিলাৰ উদ্ধাৰ হোৱা ভাস্কৰ্যৰ লেখ ভালেমান আৰু তাৰ কাৰুকাৰ্য বৈশিষ্ট্যপূৰ্ণ। শিৱসাগৰ জিলাৰ প্ৰায়বোৰ ভাস্কৰ্য সম্পদ নৱম শতাব্দীৰ পৰা দ্বাদশ শতাব্দীৰ ভিতৰত সৃষ্টি হৈছিল বুলি অনুমান কৰা হৈছে। নুমলীগড়ত দেৱ-দেৱী, গন্ধৰ্ব-কিন্নৰ আদি সকলো প্ৰকাৰৰ মূৰ্তি পোৱা গৈছে। তাৰ ভিতৰত এছটা শিলত

Scanned with CamScanner

এলানি নাৰী মূৰ্তিৰ ভাস্কৰ্য অতি মনোমোহা। প্ৰত্যেক নাৰীমূৰ্তি একেদৰে স্ফীতবক্ষ, দুয়োহাতত পদ্ম, মূৰত কৰিটি, কপালত তিলক লৈ স্মিত, হাস্য সহকাৰে চাই আছে, যেন এজাক অপ্সৰাহে উৰি গৈছে। বুৰঞ্জীবিদ ডঃ বেনীমাধৱ বৰুৱাই এই মূৰ্তি দেখি মন্তব্য কৰিছিল বোলে এই হাঁহি থকা মুখবোৰত দৃষ্টি পৰিলে কেৱে প্ৰেমত নপৰাকৈ থাকিব নোৱাৰে। এই সম্পদ বৰ্তমানে ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। দেওপানীৰ চতুৰ্ভুজ বিষ্ণুমূৰ্তি আৰু চণ্ডীৰূপা চতুৰ্ভুজা দুৰ্গাৰ মূৰ্তিৰ কাৰুকাৰ্য মন কৰিবলগীয়া। দেওপানীৰ মূৰ্তিত আৰু বৈশিষ্ট্য আছে— সেইটো হৈছে বৰ্তমানে ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৰিহৰৰ মূৰ্তি।

শিৱসাগৰত কেতবোৰ স্থাপত্য-ভাস্কৰ্যৰ সা-সঁজুলি তাৰ বৰপুখুৰীৰ পৰা উদ্ধাৰ হোৱা বুলি জনা যায়। এইবোৰ একাদশ শতাব্দীৰ সম্পদ বুলি অনুমান কৰা হৈছে। এইবোৰৰ সৈতে তেজপুৰৰ আৰু বামুণী পাহাৰৰ স্থাপত্য-ভাস্কৰ্যৰ অনেক সাদৃশ্য আছে বুলি আৰ্কিয়লজিকেল ছাৰ্ভে অৱ্ ইণ্ডিয়াৰ বুৰঞ্জীবিদ দীক্ষিতে মতামত দাঙি ধৰিছে। এই পুৰণি কীৰ্তিচিহ্নসমূহ পুখুৰীপাৰৰ কোনো বিষ্ণু মন্দিৰৰ ভগ্নাৱশেষ বুলি অনুমান কৰা হৈছে। ভাস্কৰ্য সম্পদবোৰৰ ভিতৰত গজলক্ষ্মী, বৰাহ অৱতাৰ, কামদেৱ, সৰস্বতী, অগ্নি আৰু মুনিৰ মূৰ্তি উল্লেখযোগ্য। শিৱসাগৰৰ মূৰ্তিবোৰৰ হাত-ভৰি অপেক্ষাকৃতভাৱে কিছু দীঘল আৰু লাহি আৰু পদ্মৰ ওপৰত প্ৰতিষ্ঠিত। সৰস্বতীৰ মূৰ্তিখন ত্ৰিভঙ্গমূৰ্তি আৰু ওজা খনিকৰৰ কাম।

গোৱালপাৰা জিলাত যিখিনি ভাস্কৰ্য সম্পদ এতিয়ালৈকে দৃষ্টিগোচৰ হৈছে তাৰ ভিতৰত শ্ৰীসূৰ্য পাহাৰৰ দুৰ্গা মূৰ্তি, শিৱৰ মূৰ্তি আৰু মনসা দেৱীৰ মূৰ্তি উল্লেখযোগ্য। এইবোৰ আনুমানিক নৱম-দশম শতাব্দীৰ ভাস্কৰ্য।

ডিমাপুৰ বৰ্তমানে সুকীয়া ৰাজ্য নাগাভূমিৰ অন্তৰ্গত হ'লেও সাংস্কৃতিক ক্ষেত্ৰত ডিমাপুৰৰ স্থাপত্য-ভাস্কৰ্য ব্ৰহ্মপুত্ৰ সভ্যতাৰে অৱদান। এসময়ত ডিমাপুৰ আছিল কছাৰী সভ্যতাৰ কেন্দ্ৰ। তাৰ প্ৰাক্ কছাৰী যুগৰ স্থাপত্য-ভাস্কৰ্য সম্পদো উন্নত ধৰণৰ অৱদান আছিল। বিশেষকৈ ডিমাপুৰৰ বিজয় স্তম্ভবোৰ মন কৰিবলগীয়া। জে জনষ্টন চাহাবে তেওঁৰ এখন পুথিত লিখি থৈ গৈছে বোলে বাট পথ নোহোৱা অটব্য হাবিৰ মাজত বিস্মৃত এক সভ্যতাৰ এই প্ৰাচীন কীৰ্তিৰাজি দেখিবলৈ পোৱাটো সঁচাকৈ আশ্চৰ্যজনক।

অসমৰ পুব প্ৰান্তৰ শদিয়াতো উল্লেখযোগ্য প্ৰাচীন স্থাপত্য-ভাস্কৰ্য পোৱা গৈছে। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ চিৰ প্ৰসিদ্ধ। মূল মন্দিৰটো কেতিয়াবাই ধ্বংস পালে। মন্দিৰ-সংশ্লিষ্ট ধ্বংসাৱশেষৰ পৰা পণ্ডিতসকলে অনুমান কৰিছে যে প্ৰাচীন কালত এইডোখৰ ঠাইত আৰ্যসকলে বসবাস কৰিছিল। এই এলেকাৰ পৰশুৰামকুণ্ডই এই ধাৰণা সাব্যস্ত কৰাত সহায় কৰে। টি ব্লচ চাহাবে লিখি থৈ গৈছে যে শদিয়াৰ পুব-খণ্ডৰাজাৰ একালত উত্তৰ ভাৰতৰ আৰ্যসকলৰ লগত ঘনিষ্ঠ সম্বন্ধ আছিল। তাম্ৰেশ্বৰী মন্দিৰটো আকাৰত সৰু আছিল। সেই মন্দিৰ ভগাত পোন্ধৰ শ শতাব্দীত চুটীয়াসকলে এটা নতুন মন্দিৰ স্থাপন কৰে বুলি জনা যায়। ইয়াৰ কেতবোৰ স্তম্ভৰ সৈতে ডিমাপুৰৰ স্তম্ভৰ সাদৃশ্য থকা দেখা যায়।

থুলমূলভাৱে এয়ে প্ৰাচীন অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ চমু তালিকা। স্থাপত্যৰ সন্দৰ্ভত

আমি আৰু এপদ সম্পদৰ কথা উল্লেখ কৰি এই প্ৰবন্ধৰ সামৰণি মাৰিম। এই পদ হ'ল এখন শিলৰ সাঁকো। এই সাঁকোখন বৰ্তমান কামৰূপ আৰু দৰঙৰ প্ৰাকৃতিক সীমা বৰনদীৰ এটা জানৰ ওপৰত নিৰ্মাণ কৰা হৈছিল। দুখৰ বিষয় এই সাঁকোখন ১৮৯৭ চনৰ বৰ ভূমিকম্পত সমূলি বিধ্বস্ত হ'ল। সাঁকোখন কাকঁৰ নিদিয়াকে সজা। ১৮৫১ চনত কৰ্ণেল হেনী নামৰ এজন ইংৰাজৰ দৃষ্টিগোচৰ হয়। তেৱেঁই এই সাঁকোখনৰ এটা বিস্তৃত বিৱৰণ লিখি থৈ গৈছে। সাঁকোখনৰ শিলৰ খুঁটা আছিল যোলটা। ওপৰৰ শিলবোৰ চেপেতা আৰু অতি মিহিকৈ কটা। ছতীয়া শিলবোৰ দীঘে আছিল ছফুট আৰু দহ ইঞ্চিকৈ ডাঠ। সাঁকোখনত ওপৰে পাঁচ ছটাকৈ শিল পৰা হৈছিল। সাঁকোখন আছিল এশ চল্লিশ ফুট দীঘল আৰু আঠফুট বহল। পণ্ডিতসকলৰ মতে সাঁকোখন অতি প্ৰাচীন স্থাপত্য আৰু ইয়াক প্ৰাচীন কামৰূপৰ কোনোবা ৰজাই নিৰ্মাণ কৰোৱাইছিল। সাঁকোৰ দুয়োমূৰে দুটা তোৰণ আছিল। সাঁকোৰ ভাস্কৰ্যবোৰৰ অসমত সিঁচৰতি হৈ থকা প্ৰাচীন মন্দিৰবোৰৰ ভাস্কৰ্যৰ লগত সাদৃশ্য আছিল।

আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে প্ৰাচীন কামৰূপৰ স্থাপত্য-ভাস্কৰ্যৰ ভাৰতৰ হিন্দু স্থাপত্য-ভাস্কৰ্যৰ মূল সুঁতিৰ লগত ঘনিষ্ঠ সম্বন্ধ আছে ; আৰু ভাৰতৰ তথা প্ৰাচীন কামৰূপৰ বাস্তুবিধাজনেই একাধাৰে স্থপতি, ভাস্কৰ আৰু ৰাজমিস্ত্ৰী। অসমৰ মন্দিৰ স্থাপত্য আৰু তাৰ সংশ্লিষ্ট ভাস্কৰ্যৰ লগত উত্তৰ ভাৰতৰ বিশেষকৈ বিহাৰ আৰু উৰিষ্যাৰ স্থাপত্য-ভাস্কৰ্যৰ লগত বহুখিনি মিল আছে। প্ৰত্নতাত্ত্বিক কে এন দীক্ষিতে মন্তব্য কৰি কৈছে যে সমসাময়িক বঙ্গদেশৰ পাল স্থাপত্য-ভাস্কৰ্যতকৈ প্ৰাচীন কামৰূপৰ স্থাপত্য-ভাস্কৰ্যৰ সাদৃশ্য বিহাৰ আৰু উৰিষ্যাৰ সৈতেহে অধিক। তেজপুৰত আৱিষ্কৃত চৈতাগন্ধী গবাক্ষ চানেকীৰ লগত বেবা আৰু খাজুৰাহোৰ ভাস্কৰ্যৰ মিল আছে। দ-পৰ্বতীয়াৰ শিলৰ দুৱাৰৰ ভাস্কৰ্যৰ সৈতে পঞ্চম-ষষ্ঠ শতিকাৰ পাটলিপুত্ৰ আৰু বাৰাণসীৰ ভাস্কৰ্যৰ সাদৃশ্য থকা দেখা যায়।

পূৰ্বতে আমি উল্লেখ কৰি আহিছোঁ যে অসমত বৈজ্ঞানিক পদ্ধতিৰে কোনো খননকাৰ্য আজিকোপতি পৰিচালিত কৰা হোৱা নাই। যিবা সিদিনা গুৱাহাটীৰ আমবাৰীত ঘৰ সাজিবলৈ যাওঁতে ভেটিৰ তলত স্থাপত্য-ভাস্কৰ্যৰ পম ওলাল, কেবাটাও উল্লেখযোগ্য মূৰ্তি আৱিষ্কৃত হ'ল, কিন্তু আজিকোপতি সেই কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে। ভূগৰ্ভস্থ ঘৰৰ ভেটিটোকো সম্পূৰ্ণৰূপে খান্দি চাব পৰা নগ'ল। আমবাৰীৰ তেৰাকটাৰ 'ভেনাচৰ' ইতিবৃত্তৰ ভেদ অসম্পূৰ্ণ হৈ ৰ'ল। উত্তৰ লক্ষীমপুৰৰ সীমাত চিচিবৰগাঁৱৰ মালিনী থানত কোন কাহানিবাৰপৰাই কেতবোৰ শিৱলিংগ আৰু স্থাপত্য-ভাস্কৰ্যৰ ভগ্নাৱশেষ পৰি আছিল। বৰ্তমানে অৰুণাচল চৰকাৰে কিছু খননকাৰ্য হাতত লৈ অনেক সম্পদ আৱিষ্কাৰ কৰিছে। আমবাৰী আৰু মালিনী থানৰ আৱিষ্কাৰে প্ৰাচীন কামৰূপৰ ইতিহাস ৰচনাত মূল্যৱান ৰেখাপাত কৰিব বুলি অনেকৰে বিশ্বাস। যিদিনা সমগ্ৰ অসমৰ পৰ্বত আৰু ভৈয়ামৰ সম্পূৰ্ণকৈ নহ'লেও অধিক পৰিমাণৰ ভূগৰ্ভস্থ প্ৰাচীন সম্পদ আৱিষ্কৃত হ'ব সিদিনাহে অসমৰ ব্ৰহ্মপুত্ৰ সংস্কৃতিৰ প্ৰকৃতৰূপৰ এটা আভাস পোৱা যাব।

প্ৰাচীন কামৰূপৰ স্থাপত্য আৰু ভাস্কৰ্যৰ সম্বন্ধে আমি বৰ সচেতন নহওঁ। দৰাচলতে অসমৰ প্ৰাচীন সম্পদৰ বিষয়ে আমাৰ চেতনা আনি দিয়ে কেইগৰাকীমান অনা-অসমীয়া মনিষীয়ে।

Scanned with CamScanner

তেখেতসকলৰ কেইজনমান হ'ল ঃ টি ব্লচ্ (T. Bloch), ই টি ডেল্টন (E. T. Dalton), ই ভি বেস্টমাকট্ (E. V. Westmacot), এচ এফ হেনী (S. F. Hanny), ফ্রেঞ্চিচ্ হেমিল্টন্ (Francis Hamilton) আদি কৰি কেইজনমান ইংৰাজ আৰু আৰ ডি বেনাৰ্জী, কে এন দীক্ষিত, জি এন ৰাও আদি কৰি কেইগৰাকীমান ভাৰতীয় প্ৰত্নতাত্ত্বিকে। কিন্তু দুখৰ বিষয় যে আৰ্কিয়লজিকেল ছাৰ্ভে অব্ ইণ্ডিয়াৰ বিশিষ্ট বিষয়া আৰ ডি বেনাৰ্জীয়ে নিজে অসমৰ প্ৰাচীন সম্পদৰ কথা নিজ মুখে প্ৰশংসা কৰিও ''Eastern Indian School of Medioeval Sculpture'' নামৰ চৰকাৰে প্ৰকাশ কৰা প্ৰকাশনত অসমৰ ভাস্কৰ্যৰ বিষয়ে সমূলি উল্লেখ নকৰিলে। এই বিষয়ে যিকণ তত্ত্ব আৰু তথ্য পৰিবেশন কৰা হৈছে তাৰ বাবে অসমীয়া সমাজ কৃতজ্ঞ হ'ব লাগিব সৰ্বেশ্বৰ কটকী, ৰাজমোহন নাথ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, কণকলাল বৰুৱা, ৰাজ্যিক সংগ্ৰহালয় আৰু পুৰাতত্ত্ব বিভাগৰ গুণী বিষয়াসকলৰ ওচৰত আৰু মুষ্টিমেয় কেইগৰাকীমান অসমীয়া পণ্ডিতৰ ওচৰত। অসমৰ খিলঞ্জীয়া মানুহবোৰক প্ৰাচীন সম্পদৰ বিষয়ে উদ্বুদ্ধ কৰিবলৈ আৰু প্ৰচাৰৰ সকলো মাধ্যমেৰে অসমৰ আৰু অসমৰ বাহিৰৰ লোকক সম্যকৰূপে জ্ঞাত কৰাবলৈ কোনো ব্যৱস্থা হাতত লোৱা হোৱা নাই। প্ৰাচীন অসমৰ আৱিষ্কৃত ঐশ্বৰ্য সম্পদবোৰৰ এলানি উৎকৃষ্ট আলোকচিত্ৰকে গ্ৰহণ কৰা হোৱা নাই,— প্ৰকাশ কৰাতো দূৰৰ কথা। আলোকচিত্ৰৰে আমাৰ কোনো মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰা হোৱা নাই। অসমৰ স্থাপত্য আৰু ভাস্কৰ্যক লৈ কোনো প্ৰামাণ্য বোলছবি নিৰ্মাণ হোৱা নাই। এনেবোৰ ব্যৱস্থা ব্যয়সাধ্য বুলিয়ে পৰিত্যাগ কৰিবলৈ হ'লে অসমৰ ভিতৰৰ আৰু বাহিৰৰ, সকলো লোকৰ বাবে এই সম্পদৰাজিৰ পৰিচয় আৰু ইতিহাস চিৰকাল অজ্ঞাত হৈয়ে থাকিব।

Scanned with CamScanner